অক্টোবৰ 23, 2006

প্ৰিয় প্ৰধানমন্ত্ৰী,

জাতীয় জ্ঞান কমিচনে স্কুলৰ শিক্ষা সমন্ধীয় কিছু বিষয় যেনে- প্ৰবেশাধিকাৰ, গুনাগুণ আৰু অন্যান্য বিষয় পৰীক্ষা কৰি আছে। আমি বিশ্বাস কৰোঁ যে এনে ধৰণৰ সৰ্ব্বব্যাপি উৎকৃষ্ট স্কুল শিক্ষাই ভাৰতবৰষক এখন জ্ঞান সমৃদ্ধ সমাজ গঢ় দিয়াত সৰ্ব্বাধিক গুৰুত্বপূৰণ অৰিহণা আগবঢ়াব। আমি এতিয়া বহল ভিত্তিত পৰামৰশ ক্ষেত্ৰৰ অগ্ৰসৰ আৰু পিছৃত স্কুল শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ধৰনৰ বহল উপদেশ আগবঢ়াম।

যা হওঁক, এই বিষয়ত ৰাজ্যিক শিক্ষা বিভাগৰ সঞ্চালকসকললৈ আমি এখন আদৰশনীয় শিক্ষা দায়বদ্ধতাৰ বিল অলপতে দ্বায়িত্ব সম্পৰেক জনাই পঠিয়াম বুলি ভাবিছো। ইয়াৰ অৰথ হ'ল বিল খনৰ প্ৰতি যাতে ৰাজ্যিক চৰকাৰে যত্ন লয়। আমি বিলখন অনুসৰণ কৰিছোঁ আৰু বহল ভিত্তিত বিশেষজ্ঞ আৰু শিক্ষাবিদ সকলৰ লগত আলোচনা কৰিছো। আমি এই আদৰশ বিলখন কেইবাটাও কাৰণত উপযোগী বুলি অনুভব কৰিছোঁ আৰু বিশেষ ভাবে তাৎপৰ্য্যপূৰণ যে এনে এখন বিল কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ 21এ. ধাৰা সংশোধন কৰি প্ৰবল ভাবে প্ৰয়োগ কৰাব। আমি স্বীকৃতি দিছো যে সংহতিবাদৰ বাবে সজাগ হওক, যিহেতু স্কুল শিক্ষাৰ কথাটো বিশেষভাবে ৰাজ্য চৰকাৰবোৰৰ ওপৰত নিৰভৰশীল।

যি কি নহওক, আমি অনুভব কৰোঁ যে এই বিষয়টো কেন্দ্ৰীয় আইন প্ৰণেতাৰ দ্বাৰা সমাধান কৰিব পাৰি য'ত তলত উল্লেখ কৰা প্ৰস্তাব সমূহ বিবেচনা কৰিব পাৰি:

1. কেন্দ্ৰীয় বিধান পৰিষদ: শিক্ষাৰ অধিকাৰক সংবিধানৰ দাৰা 21এ অনুসাৰে এটা অন্যতম গুৰুত্বপূৰণ মানৱ অধিকাৰ ৰূপে ঘোষণা কৰিব লাগিব। যিহেতু কোন নাগৰিকৰ জন্ম ক'ত হৈছে সেই তথ্য এই প্ৰসংগত জৰুৰী নহয়, সেয়ে প্ৰতিখন ৰাজ্যকে এই আইন পাছ কৰিবলৈ কৈ ভাৰত চৰকাৰে এই বিষয়ত নিজৰ দায়িত্বৰ পৰা হাত সাৰিব নোৱাৰিব। সেয়েহে পঞ্চায়তীৰাজ(সংশোধক)আইনৰ দৰে এখন কেন্দ্ৰীয় আইন পাছ কৰোৱাটো উচিত, যাতে ৰাজ্য চৰকাৰ বিলাকক এটা নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত শিক্ষাৰ অধিকাৰ সংক্ৰান্তীয় আইনখন পাছ কৰাবৰ বাবে কব পাৰে। এইক্ষেত্ৰত এটা মাত্ৰ দায়িত্ব মুলত: কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগিব, সেইটো হ'ল ইয়াৰ বাবে প্ৰয়োজনীয় আৰিথক সাহাৰ্য্যৰ ব্যৱস্থা কৰা।

2. আৰিথক অনুদানৰ প্ৰতিশ্ৰুতি: শিক্ষাৰ অধিকাৰৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত খৰছৰ বেচিভাগ অংশই কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগিব। সেয়েহে কেন্দ্ৰীয় আইনৰ লগে লগে আৰিথক অনুদানৰ ব্যৱস্থা থকাও দৰকাৰী যাতে কেন্দ্ৰীয় চৰকাৰে প্ৰাৰম্ভিক শিক্ষা কোষৰ বাবে কৰৰ তহবিলৰ পৰা ৰাজ্যচৰকাৰ বিলাকক ৰাজহৰ অংশ দিব পাৰে আৰু সমস্ত শিশুৰ শিক্ষাৰ অধিকাৰৰ বাবে অতিৰিক্ত যি প্ৰয়োজনীয় খৰচ তাক নিজেই বহন কৰিব পাৰে। সাৰ্ব্বভৌম প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ বাবে প্ৰয়োজনীয় এই অতিৰিক্ত আৰিথক অনুদানৰ অংকৰ বিষয়ে যদি হিচাপ কৰা হয়, জি.ডি.পি. ৰ অনুমানিক 0.8% ৰ পৰা 2.5% পৰ্য্যন্ত দৰকাৰ হ'ব পাৰে। অৱশ্যে এইটো নিৰভৰ কৰিব এই হিচাপৰ বাবে কোন বিষয়ৰ মান ধৰি বিচাৰ কৰা হৈছে তাৰ ওপৰত। আশা কৰা যায়, প্ৰয়োজনীয় আৰিথক অনুদানৰ পৰিমাণ ইয়াৰ ভিতৰত কমেই হ'ব, কিয়নো ইতিমধ্যেই বহু কেইখন ৰাজ্যই বহুমূখী ব্যৱস্থাৰ আৰম্ভ কৰিছে আৰু বাকী কিছু সংখ্যক ৰাজ্যত সৰ্ব্বশিক্ষা অভিযানৰ ফল হিচাপে প্ৰবেশাধিকাৰৰ ক্ষেত্ৰত বিৰাট প্ৰভেদ আহি পৰিছে।

3. সময় সীমা: ৰাজ্যিক স্তৰৰ আইনটো এটা সময়সীমাৰ উল্লেখ থকা দৰকাৰ যে কিমান সময়ৰ ভিতৰত উচ্চমানৰ সাৰ্ব্বভৌম শিক্ষাৰ ব্যৱস্থা কৰা হৈছে—এই ক্ষেত্ৰত তিনি বছৰৰ সময়সীমা আদৰশ হোৱা উচিত। যি আদৰশ আইনৰ কথা আমি আলোচনা কৰিছোঁ তাত প্ৰায়োগিক দিশ বা আইনৰ গ্ৰহণযোগ্যতাৰ দিশৰ পৰাও কোনো সময় সীমা বান্ধি দিয়া হোৱা নাই।

4. আৰিহ আৰু মানদণ্ডৰ তপচিল: এটা নূন্যতম মানৰ শিক্ষা ব্যৱস্থাৰ কথা ভাবিবলৈ গলে সৰ্ব্বপ্ৰথমে দৰকাৰী কথাটো হ'ল সকলো স্কুলেই অনুসৰণ কৰিব পৰাকৈ আৰিহ তপচিল থকা উচিত। আৰিহ আহৰণৰ বাবে লিখিত ৰূপত এনে কোনো মানদণ্ডৰ কথা কোৱা হোৱা নাই আৰু স্কুলবিলাকক অন্তত: পক্ষে কি মানদণ্ডৰ শিক্ষা দিয়া হ'ব সেই কথাও কোৱা হোৱা নাই। সেই খচৰাত গুনাগুণৰ মান অথবা বৈশিষ্টতা উল্লেখ নকৰাকৈ মাত্ৰ উল্লেখ আছে এটা "সমানুপাতিক গুনাগুণ "। মানদণ্ডৰ বৈশিষ্ট নিৰদ্ধাৰণ কৰাটো এটা জটিল কাম, বুনিয়াদী সুবিধাৰ বাবে কিছুমান আৰিহ, প্ৰতিখন স্কুলত শিক্ষকৰ সংখ্যা, শিক্ষাদানৰ প্ৰণালী আৰু অন্যান্য সুবিধা ইত্যাদিৰ বিষয়ে আইনখনত স্পষ্ট উল্লেখ থকা দৰকাৰ।

5. শিক্ষক সকলৰ কাৰণে স্বত্ব: যিহেতু উচ্চমানৰ শিক্ষাব্যৱস্থাৰ ভিতৰত শিক্ষকসকলৰ ভূমিকা অধিক, সেয়েহে শিক্ষকসকলৰ নুন্যতম শিক্ষাগত অৰহতাৰ বিষয়ে উল্লেখ থকা একান্তই দৰকাৰী। আৰদশগত বিলখনত শিক্ষকসকলৰ যোগ্যতাৰ বিবৰণ বা চাকৰী কালত শিক্ষকক কেনে প্ৰশিক্ষণ প্ৰদান কৰা উচ্চিত তাৰ বিষয়ে কোনো বিশেষ বৰণনা নাই। সেয়েহে ইয়াটো শিক্ষনীয় যোগ্যতা ও প্ৰশিক্ষণৰ মানদণ্ডৰ বিষয়ে উল্লেখ থকা উচিত।

6. বিচাৰ যোগ্যতা: শিক্ষা অধিকাৰকে সামৰি যিকোনো অধিকাৰ তেতিয়াহে অৰথপূৰণ হব পাৰে যেতিয়া ই বিচাৰ যোগ্য হয়। কিন্তু আদৰশগত আইনৰ যি খচৰা ৰাজ্য চৰকাৰ সমূহলৈ পঠিওৱা হৈছে তাত শিশু সকলৰ পিতৃ মাতৃ বা অভিভাৱক সকলৰ

ওপৰত দাযিত্ব জাপি দিয়া হৈছে। এই বিষয়ৰ বিভিন্ন স্তৰত চৰকাৰৰ কি দায়িত্ব সেই বিষয়ে উল্লেখ বাঞ্চনীয় আৰু সেইটো বিচাৰযোগ্যও হ'ব লাগিব। এই ক্ষেত্ৰত জাতীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইনক উদাহৰণ হিচাবে ল'ব পাৰি।

7. প্ৰতিবিধানৰ ব্যৱস্থা: আইনী সুবিচাৰ ব্যৱস্থা কৰিবলৈ গলে প্ৰতিবিধানৰ বাবে এটা ব্যৱস্থাৰ ৰূপ-ৰেখা তৈয়াৰ কৰিব লাগিব। তাৰোপৰি এই অধিকাৰ পালিত হোৱা ক্ষেত্ৰসমূহৰ ছাত্ৰসকল বা অভিভাৱকসকলৰ বাবে এটা আৰদশ পদ্ধতি তৈয়াৰ কৰি দিব লাগিব।

8. সাৰ্বভৌম বিদ্যালয় শিক্ষা ব্যৱস্থা: পঢ়াশলীয়া শিক্ষা সকলোকে সমানভাবে দিব লাগিলে প্ৰতিবন্ধীসকল, ভূমিহীন লোকসকল আৰু সংখ্যালঘু সমাজৰ শিশুক অন্যান্য শ্ৰেণীৰ শিশুৰ লগত সমান সুযোগ সুবিধা দিব লাগে আৰু বিশেষকৈ যিসকল শিশু জন্মতেই কিবা নহয় কিবা অসুবিধালৈ জন্মগ্ৰহণ কৰিছে বা যাক বিশেষ সহায়ৰ প্ৰয়োজন, তেওঁলোকৰ বাবে প্ৰয়োজনীয় ব্যৱস্হা হাতত লব লাগে। ইয়াৰ প্ৰথম চৰত হিচাবে ভিন্ন সামাজিক, অৰথনৈতিক বা সাংস্কৃতিক পৰিবেশৰ পৰা যি সকল শিশু চৰকাৰী স্কুললৈ পঢ়িবলৈ আহিব তেওঁলোকৰ মাজত কোনো ভেদা-ভেদ ৰখা নহ'ব। এই আদৰশগত বিলখনত এনে সুবিধা থাকিব যে প্ৰয়োজনত এটা বিভেদসূচক স্কুল ব্যৱস্হা সমান্তৰাল বাবে গঢ়ি তুলিব পৰা যাব। যাৰ ফলত যিবিলাক শিশু জন্ম ও সামাজিক ভাবে অসুবিধাজনক শ্ৰেণীৰ পৰা আহিব তেওঁলোকৰ বাবে অন্যান্য সকলৰ তুলনাত এটা স্তৰহীন শিক্ষাব্যৱস্থা তৈয়াৰ কৰা হ'ব, কাৰণ এইবোৰ ক্ষেত্ৰত স্বাভাবিক ও নিয়মীয়া স্কুল শিক্ষা ব্যৱস্থাতকৈ কেৱল অনৌপচাৰিক শিক্ষাৰ যোগাৰ কৰিলেহে হ'ব।

সচাকৈয়ে, সকলো ক্ষেত্ৰতেই স্কুল ব্যৱস্থাক এনেভাবে নমনীয় কৰা হ'ব যে ছাত্ৰ-ছাত্ৰী সকলৰ বিশেষ প্ৰয়োজনৰ প্ৰতি ইয়াত চকু ৰখা হ'ব।

ওপৰত উল্লেখিত বিষয় বিলাকৰ ক্ষেত্ৰত বিশদ বৰণনা আগবঢ়াবলৈ পালে আমি সুখী হম। ৰাষ্ট্ৰীয় জ্ঞান আয়োগে এই মুহূৰতত স্কুল শিক্ষা সংক্ৰান্তীয় বিষয়বোৰ এই ক্ষেত্ৰত দায়বদ্ধ সকলৰ লগত আলোচনা কৰিছে। বিশেষকৈ কি ভাবে সমানৰূপে শিক্ষাৰ ব্যৱস্থা কৰিব পৰা যায়, তাৰ ওপৰত আমি ধ্যান দিছোঁ। স্থানীয় বিভিন্ন সম্প্ৰদায়ে কেনেবোৰ প্ৰক্ৰিয়াৰে প্ৰতিষ্ঠানিক নিয়ন্ত্ৰণ ও অন্যান্য প্ৰক্ৰিয়াৰ মাধ্যমেৰে উন্নত স্কুল শিক্ষাক বৰতাই ৰখাত সহায় কৰিব পাৰে বা সাধাৰণ সাৰ্বজনীন স্কুল ব্যৱস্থা বা কাষৰীয়া অঞ্চলত স্কুলৰ সুবিধা কৰিব পৰা যায় অথবা বিশেষ বিশেষ স্থানত কিদৰে উন্নত মান ও সংখ্যাৰ শিক্ষক তৈয়াৰ কৰিব পৰা যায় – এই সকলো বিষয়ৰ ওপৰত নিকট ভৱিষ্যতে স্কুল শিক্ষকৰ ওপৰত বহল মন্তব্য দাখিল কৰা হ'ব।

ধন্যবাদ ও আন্তৰিক অভিনন্দন সহ,

চেম পিট্ৰ'ডা

অধ্যক্ষ

ৰাষ্ট্ৰীয় জ্ঞান আয়োগ

চি.চি- শ্ৰী অৰজুন সিং, মন্ত্ৰী, এম.এইচ.আৰ.ডি.

শ্ৰী মন্টেক সিং আহোৱালীয়া, উপাধ্যক্ষ, পৰিকল্পনা আয়োগ